# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-10-2024
**Time :** 1845 Hrs

# ***Assamese Evening Bulletin***

**- - - - - - - - - - - - - - -**

১। শাৰদীয় দুৰ্গা পূজাৰ সপ্তমী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক উৎসাহ-উদ্দীপনা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ গুৱাহাটীৰ কেইবাখনো পূজাৰ কাৰ্যসূচীত অংশগ্ৰহণ।

২। প্ৰসিদ্ধ উদ্যোগপতি তথা লোকহিতৈষী ৰতন টাটালৈ সহস্ৰাধিক গুণমুগ্ধৰ শেষ শ্ৰদ্ধাঞ্জলি। গৃহমন্ত্ৰী অমিত শ্বাহৰো শ্ৰদ্ধা জ্ঞাপন।

৩। দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি লাও পি ডি আৰত উপস্থিত।

৪। দক্ষিণ কোৰিয়াৰ সাহিত্যিক হান কাঙলৈ ২০২৪ বৰ্ষৰ সাহিত্যৰ ন'বেল বঁটা।

**আৰু**

৫। হিমাচল প্ৰদেশত অনুষ্ঠিত ৰাষ্ট্ৰীয় ভাৰোত্তোলন চেম্পিয়নশ্বিপত অসমৰ বেদব্ৰত ভৰালী আৰু হিমন্ত দৈমাৰীৰ সোণৰ পদক অৰ্জন।

0000000

শাৰদীয় দুৰ্গা পূজাৰ আজি সপ্তমী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক উৎসাহ-উদ্দীপনা বিৰাজ কৰিছে। পূজা মণ্ডপসমূহত আজি যথাবিহিত ৰীতি-নীতিৰে সপ্তমী পূজা কৰা হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আটকধুনীয়াকৈ সজোৱা পূজা মণ্ডপসমূহ নানাৰঙী আলোকসজ্জাৰে সজ্জিত কৰি তোলা হৈছে। পূজাৰ মন্ত্ৰোচাৰণ, আয়তীৰ উৰুলি, ঢাক-শংখধবনিয়ে মাংগলিক তথা আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰিছে। লোকবিশ্বাস অনুসৰি দেৱী দুৰ্গাক আবাহন আৰু বোধনৰ জৰিয়তে অশুভ শক্তিৰ বিনাশ কৰা হয়। আনহাতে, বিভিন্ন অপায়-অমংগল, দুৰ্যোগ বিভীষিকা নাশ কৰি শান্তি আৰু সমৃদ্ধিৰ প্ৰাৰ্থনাৰে ভক্তসকলে দেৱী দুৰ্গাৰ চৰণত পূজা-অৰ্চনা আগবঢ়ায়। সপ্তমীৰ দিনটোত দেৱী দুৰ্গাক কালৰাত্ৰিৰ ৰূপত আৰাধনা কৰা হয়।

**গুৱাহাটী** মহানগৰীৰ চাৰি শতাধিক পূজাথলীত শাৰদীয় পূজা উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। পূজাথলীসমূহৰ লগতে দোকান-বজাৰসমূহতো অগণন লোকৰ সমাগম পৰিলক্ষিত হৈছে। মহানগৰীৰ ভাস্কৰ নগৰ পূজা সমিতিয়ে জগন্নাথ পুৰী, আঠগাঁও পূজা সমিতিয়ে মহাভাৰতৰ ইন্দ্ৰপ্ৰস্থ, পাণ্ডুৰ ৰেষ্ট কেম্প পূজা সমিতিয়ে জয়পুৰ দুৰ্গ আদিৰ আৰ্হিৰে নিৰ্মাণ কৰা পূজা মণ্ডপে জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী মহানগৰীৰ কেইবাখনো পূজাস্থলীত উপস্থিত হৈ দেৱী দুৰ্গাৰ আশিস গ্ৰহণ কৰে। এই সন্দৰ্ভত কামৰূপ মহানগৰৰ সংবাদদাতা হেমন্ত বৰাই এইদৰে কয়--

**-ভইচ কাষ্ট-**

ইপিনে, ৰাজ্যৰ অন্যান্য জিলাসমূহতো দুৰ্গা পূজাৰ ব্যাপক আয়োজন কৰা হৈছে। ৰাজহুৱা পূজাৰ লগতে ব্যক্তিগতভাৱেও ভালেসংখ্যক পূজাৰ আয়োজন কৰা হৈছে। ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহতো নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা চলি আছে।

**গোৱালপাৰা** জিলাৰ শাৰদীয় পূজাৰ সপ্তমী উপলক্ষে আজি উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। এইবেলি জিলাখনত ১৩৬ খন পূজা মণ্ডপত পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ পূজা মণ্ডপসমূহত পুৱাৰ ভাগত সপ্তমী পূজা সমাপন কৰা হয়। অৱশ্যে তিথি অনুযায়ী নেপালী মন্দিৰ পূজা সমিতিয়ে বিয়লিৰ ভাগত অষ্টমী পূজাও সমাপন কৰি অঞ্জলি প্ৰদান কৰে। জিলাখনৰ ৰংজুলি পূজা সমিতিয়ে বিজয়া দশমীৰ দিনা পূৰ্বৰ দৰে ৰাৱণ বধৰ কাৰ্যসূচী গ্ৰহণ কৰিব।

**শিৱসাগৰ** জিলাত যথাবিহিত ৰীতি-নীতিৰে সপ্তমী পূজা সম্পন্ন কৰা হয়। আহোম ৰাজত্বকালৰে পৰা তিনি শতিকাজুৰি চলি অহা শিৱসাগৰ দেৱীদৌলৰ দুৰ্গা পূজা উপলক্ষে ভক্তপ্ৰাণ ৰাইজৰ সমাগম হয়। দেৱীদৌলত শতাধিক ভক্তপ্ৰাণ ৰাইজে আজি সপ্তমী পূজাৰ সেৱা গ্ৰহণ কৰে। শিৱসাগৰ নগৰ আৰু দাঁতিকাষৰীয়া অঞ্চলৰ পূজাথলীসমূহত যথেষ্টসংখ্যক লোকে দেৱী দুৰ্গাৰ চৰণত পূজা-অৰ্চনা কৰে। এই সন্দৰ্ভত শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলীয়ে এইদৰে কয়-

**-ভইচ কাষ্ট-**

**দৰং** জিলাৰ মুঠ ৫ খন আৰক্ষী থানা এলেকাত আয়োজন কৰা প্ৰায় ২০০ খন ৰাজহুৱা পূজাস্থলিত আধ্যাত্মিকতাৰ সৈতে সৃষ্টিশীল কলা আৰু আধুনিকতাৰ সমাহাৰ ঘটাই ভক্তপ্ৰাণ ৰাইজ আৰু দৰ্শনাৰ্থীক আকৰ্ষণ কৰাৰ প্ৰয়াস কৰা হৈছে। এই পূজা মণ্ডপসমূহৰ উপৰি জিলাখনৰ ঐতিহাসিক পদ্মা থানৰ লগতে মন্দিৰ, দেৱালয়সমূহ দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ স্তুতি তথা মংগল ধ্বনিৰে মুখৰ হৈ পৰিছে। জিলা সদৰ মঙলদৈত থকা কোচ ৰজাৰ তিনিখন হাউলীত ৪০৮ বছৰীয়া ঐতিহ্য আৰু ধৰ্মীয় পৰম্পৰা অক্ষুণ্ণ ৰাখি দুৰ্গা পূজা পালন কৰা হয়। ইয়াৰে গাখীৰখোৱা হাউলীত আজি পৰম্পৰাগত ৰীতি-নীতিৰে সপ্তমী পূজা পালন কৰা হয়।

**কৰিমগঞ্জ** জিলাৰ মাৰ্জাকান্দিত পৰম্পৰাগত ৰীতি-নীতিৰে সাৰ্বজনীন দুৰ্গা পূজা উদযাপন কৰা হৈছে। ১০৫ বছৰত ভৰি দিয়া সাৰ্বজনীন দুৰ্গা পূজাত এইবাৰ বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়।

**বাক্সা** জিলাৰ বিভিন্ন পূজা মণ্ডপসমূহতো সপ্তমী পূজা সম্পন্ন কৰা হয়। জিলাখনৰ ডুমুনীত অনুষ্ঠিত ৭৭ সংখ্যক সাৰ্বজনীন দুৰ্গা পূজা মহোৎসৱত ভক্তপ্ৰাণ ৰাইজে পৰম্পৰাগত ৰীতি-নীতিৰে সপ্তমী পূজাৰ সেৱা গ্ৰহণ কৰে। কাৰ্যসূচী অনুসৰি পুৱা দেৱীৰ নৱপত্ৰিকা প্ৰৱেশ স্থাপন কৰাৰ পাছত দেৱীৰ সপ্তম্যাদী কল্পাৰম্ভ আৰু সপ্তমী বিহিত পূজা অনুষ্ঠিত কৰা হয়।

ইপিনে দেশৰ ৰাজধানী নতুন দিল্লীতো দুৰ্গা পূজা উপলক্ষে ব্যাপক উৎসাহ দেখিবলৈ পোৱা গৈছে। নয়দাত থকা অসমীয়া লোকসকলে পৰম্পৰাগত ৰীতি-নীতিৰে দুৰ্গা পূজা পালন কৰিছে। এই সন্দৰ্ভত দিল্লীৰ পৰা সাংবাদিক সিদ্ধাৰ্থ ভট্টাচাৰ্যই এইদৰে কয়-

**-ভইচ কাষ্ট-**

০০০০০০০

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফলো কৰিব পাৰে।

০০০০০০০

প্ৰসিদ্ধ উদ্যোগপতি তথা লোকহিতৈষী ৰতন টাটাৰ শেষকৃত্য ক্ষন্তেক পাছতে মুম্বাইৰ ৱৰ্লিত সম্পন্ন কৰা হ'ব। গৃহমন্ত্ৰী অমিত শ্বাহে কেন্দ্ৰীয় চৰকাৰৰ হৈ ৰতন টাটাৰ অন্ত্যেষ্টিক্ৰিয়াত অংশগ্ৰহণ কৰিব। ইতিমধ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰী শ্বাহ মুম্বাইত উপস্থিত হৈছে। উল্লেখযোগ্য যে ৰতন টাটাক শেষ শ্ৰদ্ধা জনোৱাৰ বাবে মুম্বাইৰ পৰিৱেশ্য কলাৰ ৰাষ্ট্ৰীয় কেন্দ্ৰত সহস্ৰাধিক গুণমুগ্ধই ভিৰ কৰে। মুম্বাইৰ এখন ব্যক্তিগত হাস্পতালত কালি ৮৬ বছৰ বয়সত মৃত্যু হোৱা ৰতন টাটাক শেষ শ্ৰদ্ধা জনাবলৈ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত হৈছে।

ইপিনে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰতন টাটাৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰিছে। মহাৰাষ্ট্ৰ চৰকাৰে প্ৰসিদ্ধ উদ্যোগপতি ৰতন টাটাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি আজি ৰাজ্যিক শোকৰ দিন হিচাপে ঘোষণা কৰিছে। ৰাজ্যখনত লগতে আজিৰ দিনটোৰ বাবে সকলো চৰকাৰী কাৰ্যসূচী বাতিল কৰা হৈছে।

২০১২ চনৰ ২৯ ডিচেম্বৰত ৰতন টাটাক টাটা ছন্স, টাটা ইণ্ডাষ্ট্ৰিজ, টাটা মটৰছ, টাটা ষ্টিল আৰু টাটা কেমিকেলছৰ আজীৱন অধ্যক্ষৰ উপাধিৰে সন্মানিত কৰা হৈছিল। ভাৰতৰ সবাতোকৈ প্ৰসিদ্ধ উদ্যোগপতিসকলৰ অন্যতম ৰতন টাটাই ২ দশকৰো অধিক সময় ধৰি টাটা ছন্সৰ অধ্যক্ষ হিচাপে কাম কৰিছিল। তেওঁ টাটা ন্যাসৰ জৰিয়তে লোকহিতৈষী অনেক কামত ভাগ লৈছিল। তেওঁক ২০০০ চনত পদ্মভূষণ আৰু ২০০৮ চনত পদ্মবিভূষণসহ অনেক সন্মানেৰে বিভূষিত কৰা হৈছিল।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া লাও পি ডি আৰ  ভ্ৰমণসূচীৰে ভিয়েনটিয়ানত উপস্থিত হৈছে। ভিয়েনটিয়ানত অৱতৰণ কৰাৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীক অসমৰ বিহু নাচেৰে আদৰণি জনোৱা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰীক বিহু নাচেৰে আদৰণি জনোৱাৰ ভিডিঅ' সামাজিক মাধ্যমত আপলোড কৰি অসমৰ বাবে এয়া গৌৰৱৰ মুহূৰ্ত বুলি উল্লেখ কৰে।

০০০০০০০

দক্ষিণ কোৰিয়াৰ সাহিত্যিক হান কাঙলৈ ২০২৪ বৰ্ষৰ সাহিত্যৰ নবেল বঁটা আগবঢ়োৱা হৈছে। দ্য চুইডিজ একাডেমীয়ে দি ভেজিটেৰিয়ান শীৰ্ষক উপন্যাসখনৰ বাবে তেওঁলৈ এই বঁটা আগবঢ়াইছে। ৫৩ বৰ্ষীয় এই ঔপন্যাসিকগৰাকীৰ আন কেইখনমান জনপ্ৰিয় উপন্যাস হৈছে হিউমেন এক্টছ, উই ডু নট পাৰ্ট, দ্য পয়েট বুক, গ্ৰীক লেছন্চ, আই ডু নট বীড ফেয়াৰৱেল ইত্যাদি। লিখা-মেলাৰ লগতে শিল্প আৰু সংগীতৰ সৈতেও তেওঁ জড়িত। ১৯৯৩ চনত কবিতা প্ৰকাশ কৰি নিজৰ সাহিত্যৰ যাত্ৰা আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হান কাঙে পৰৱৰ্ত্তী সময়ত ছুটি গল্প সংকলনকে ধৰি কেইবাখনো গদ্য ৰচনাও প্ৰকাশ কৰিছে।

০০০০০০০

হিমাচল প্ৰদেশত চলি থকা আই ডব্লিউ এল এফ জুনিয়ৰ, যুৱ আৰু ছিনিয়ৰ ৰাষ্ট্ৰীয় ভাৰোত্তোলন চেম্পিয়নশ্বিপত অসমে আজি পুনৰ সোণৰ পদক অৰ্জন কৰিছে। অসমৰ বেদব্ৰত ভৰালী আৰু হিমন্ত দৈমাৰীয়ে ৭৩ কিলোগ্ৰাম ওজন শাখাৰ ক্ৰমে জুনিয়ৰ আৰু যুৱ শাখাত সোণৰ পদক লাভ কৰে। অহা ১৩ অক্টোবৰত সামৰণি পৰিবলগীয়া প্ৰতিযোগিতাখনত অসমে এইপৰ্যন্ত ৩টা সোণ, ২টা ৰূপ আৰু সমসংখ্যক ব্ৰঞ্জসহ মুঠ ৭টা পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। আন্তৰ্জাতিক ভাৰোত্তোলক সিদ্ধান্ত গগৈয়ে কালি ৰাজ্যখনৰ হৈ প্ৰথমটো সোণৰ পদক জয় কৰিছে।

০০০০০০০

সমাপ্ত